# অসম আদিত্য

২৯ চ'ত, ১৯৪৬ শক ■ শনিবাৰ, ১২ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, April 12, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি


**ভৱিষ্যৎ প্ৰজন্মই অসমীয়া সাহিত্যক বিশ্ববন্দিত কৰি তোলাৰ আশা অধ্যক্ষ ড° শইকীয়াৰ**

## ডিএইচএছকে কলেজত সাহিত্য সভাৰ শতদল শাখা মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, ১১ এপ্ৰিল ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত আজি অসম সাহিত্য সভাৰ অধীনৰ শতদল শাখা মুকলি কৰা হয়। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি কয় যে মহাবিদ্যালয়খনৰ ৮০ বছৰীয়া ইতিহাসত আজিৰ এই দিনটো সোণালী আখৰেৰে লিখা থাকিব। তেওঁ লগতে কয়— ভৱিষ্যৎ প্ৰজন্মই অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ জৰিয়তে জগত সভাত স্থান লাভ কৰি অসমীয়া সাহিত্যক বিশ্ববন্দিত কৰি তোলাৰ আশা পোষণ কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড০ মনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ আৰু সম্পাদক ভাগ্যেশ্বৰ গগৈ পৰ্যবেক্ষকৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ শাখা মুকলি কৰাত দিহা-পৰামৰ্শ আগবঢ়াই কয় যে মাতৃভাষা শুদ্ধকৈ কথন আৰু প্ৰচাৰৰ যোগেদিহে অসমীয়া ভাষা আৰু অসমীয়া জাতিটো জীয়াই থাকিব। পৰ্যবেক্ষকদ্বয়ৰ উপস্থিতিত গঠন হোৱা শাখাটিত ক্ৰমে সভাপতি ড০ তৃষ্ণা দুৱৰা কলিতা, উপ-সভাপতি শিখামণি কোচ দেউৰী, সম্পাদক ড০ নিতুমণি শইকীয়া, সহকাৰী সম্পাদক ড০ মৌচুমী হাজৰিকা,



কোষাধ্যক্ষ ড০ হানিফা ৰহমান, পত্ৰিকা সম্পাদক ড০ মনমী বৰুৱা, প্ৰকাশন সচিব অসীম শইকীয়া আৰু সাংস্কৃতিক সম্পাদক বিনী শইকীয়াৰ লগতে ১৫ জনীয়া সদস্যৰে এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অনুষ্ঠানটিত উপস্থিত থাকি ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে কানৈ মহাবিদ্যালয়ৰ নৱগঠিত শাখাটিক অভিনন্দন জ্ঞাপন কৰি শাখাটোৰ উত্তৰোত্তৰ কামনা কৰে। উল্লেখ্য যে ১৯২৬ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত সভাপতি পদ অলংকৃত কৰা বেণুধৰ ৰাজখোৱা, ১৯৫৫ চনত গুৱাহাটী অধিৱেশনত সভাপতি পদ অলংকৃত কৰা যতীন্দ্ৰ নাথ দুৱৰা কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক আছিল। অসমীয়া ভাষা সাহিত্যৰ চৰ্চাত এই দুজন পুৰুধা ব্যক্তিয়ে যিদৰে অমূল্য অৱদান আগবঢ়াই গৈছে সেইদৰে কানৈ মহাবিদ্যালয়ৰ নৱগঠিত শতদল শাখাটিয়ে ভৱিষ্যতে অসমীয়া সাহিত্য-সংস্কৃতিৰ উত্তৰণত আশাব্যঞ্জক সফলতা দেখুৱাব বুলি আজিৰ এই সভাত নৱনিৰ্বাচিত সভাপতি আৰু সম্পাদকে আশা ব্যক্ত কৰে। মনকৰিবলগীয়া যে কানৈ মহাবিদ্যালয়ৰ আজি মুকলি হোৱা শাখাটিত ১০০ জন সদস্যই আজীৱন সদস্য পদ গ্ৰহণ কৰাৰ বাবে শতদল শাখাৰূপে স্বীকৃতি লাভ কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।